# 2018

# ASSAMESE

## ( Major )

Paper : 4·1

*Full Marks* : 75

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। *এটা* শব্দ বা বাক্যত উত্তৰ লিখা : ১×১০=১০

(ক) কালিৰাম মেধি বিৰচিত ভাষাতত্ত্ববিষয়ক গ্ৰন্থখনৰ নাম কি?

(খ) অসমীয়া ভাষাত দন্ত্য আৰু মূৰ্ধন্য ধ্বনি আছেনে?

(গ) অসমীয়া ভাষাত অৰ্ধস্বৰ কেইটা?

(ঘ) অসমীয়া ভাষাত সম্প্ৰদান কাৰক আছেনে?

(ঙ) অসমীয়া ভাষাৰ পুংলিংগবাচক আৰু স্ত্ৰীলিংগবাচক প্ৰত্যয়বোৰ কি প্ৰত্যয়?

(চ) –হি, –গৈ, –চোন, –দেই, –হ'বলা, –জানো, –চাগৈ, –দেখোন, –পাই আদিক কি প্ৰত্যয় বুলি কোৱা হয়?

(ছ) বাক্যতত্ত্বৰ ইংৰাজী প্ৰতিশব্দ 'Syntax' শব্দটো কোন ভাষাৰ পৰা আহিছে?

(জ) নতুন বাগ্‌বিজ্ঞানত বাক্য বিশ্লেষণৰ তাত্ত্বিক দিশৰ দুৱাৰ কোনে মুকলি কৰিছিল?

(ঝ) পদৰ যোগ্যতা কিহৰ ওপৰত নিৰ্ভৰ কৰে?

(ঞ) "All Grammars Leak." এইটো কাৰ উক্তি?

২। চমুকৈ উত্তৰ লিখা : ২×৫=১০

(ক) অসমীয়া ভাষাৰ ইংৰাজী মাধ্যমেৰে আৰু অসমীয়া ভাষাৰে পোনপ্ৰথমে ৰচিত ব্যাকৰণ দুখনৰ নাম কি?

(খ) ঘোষ আৰু অঘোষ ধ্বনিৰ মাজত পাৰ্থক্য কি, বুজাই লিখা।

(গ) অসমাপিকা ক্ৰিয়া কাক বোলে? উদাহৰণসহ বুজাই লিখা।

(ঘ) অসমীয়া ভাষাত বিভক্তি কেইটা প্ৰকাৰ আৰু কি কি?

(ঙ) অসমীয়া ভাষাত কি কি উপায়েৰে কাৰক সাধন কৰা হয়, লিখা।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা : ৫×৩=১৫

(ক) অনুক্ৰম বৰ্ণ (Segmental phoneme) আৰু উপস্থিত বৰ্ণ (Supra-segmental phoneme) কাক বোলে, বুজাই লিখা।

(খ) বিভক্তি আৰু প্ৰত্যয়ৰ মৌলিক পাৰ্থক্যসমূহ নিৰ্ণয় কৰা।

(গ) অসমীয়া ভাষাত পুংলিংগৰ পৰা কিদৰে স্ত্ৰীলিংগ নিৰ্ণয় কৰা হয়, চমুকৈ লিখা।

(ঘ) অনিৰ্দিষ্টতাবাচক প্ৰত্যয় কাক বোলে? উদাহৰণেৰে বুজাই লিখা।

(ঙ) অসমীয়া ভাষাৰ বাক্যক কি কি দিশৰ পৰা শ্ৰেণী-বিভাজন কৰিব পাৰি, উল্লেখ কৰা।

৪। (ক) ব্যাকৰণৰ সংজ্ঞা দাঙি ধৰি অসমীয়া ব্যাকৰণ চৰ্চাৰ ইতিহাস সম্পৰ্কে আলোচনা কৰা। ১০

*অথবা*

(খ) ব্যাকৰণ ৰচনা কৰাৰ মূল উদ্দেশ্য কি? বৰ্তমানলৈ প্ৰকাশিত অসমীয়া ব্যাকৰণবোৰৰ লেখকসকল অসমীয়া ভাষাৰ স্বৰূপ উদ্‌ঘাটনত কিমানদূৰ কৃতকাৰ্য হৈছে, আলোচনা কৰা। ২+৮=১০

৫। (ক) অসমীয়া ভাষাত বিশিষ্ট দন্তমূলীয় ধ্বনি কেইটা আৰু কি কি? উচ্চাৰণৰ স্থান আৰু ধৰণ অনুযায়ী সেই ধ্বনিবোৰৰ এখন তালিকা যুগুত কৰি অসমীয়া ভাষাত সেই ধ্বনিবোৰ লিখিবলৈ কি কি আখৰ ব্যৱহাৰ কৰা হয়, লিখা। ২+৮=১০

*অথবা*

(খ) অসমীয়া ভাষাত নাসিক্যব্যঞ্জন কেইটা আৰু কি কি? বিভিন্ন পৰিবেশত ইহঁতৰ বিৰোধ দেখুওৱা। নাসিক্য আৰু অনুনাসিকতা একেনে? ২+৬+২=১০

৬। (ক) "ভাষা-বিজ্ঞানৰ মতে আকাংক্ষা, যোগ্যতা আৰু আসত্তি নাথাকিলে বাক্য সম্পূৰ্ণ হ'ব নোৱাৰে।" এই কথাষাৰৰ যুক্তিযুক্ততা প্ৰতিপন্ন কৰা। ১০

*অথবা*

(খ) বচন বুলিলে কি বুজা? অসমীয়া ভাষাৰ বচন কেনেকৈ নিৰূপণ কৰা হয়, আলোচনা কৰা। ২+৮=১০

৭। (ক) 'ব্যাকৰণগত বিষয়' (Grammatical elements) বুলিলে কি বুজা? অসমীয়া ভাষাৰ গাঁথনিক দিশৰ কোন কোন ক্ষেত্ৰত এনে 'ব্যাকৰণগত বিষয়' বিচাৰি পোৱা যায় সেই সম্পৰ্কে আলোচনা কৰা। ২+৮=১০

*অথবা*

(খ) অসমীয়া ভাষাত প্ৰয়োগ হোৱা ধাতুসমূহৰ উৎস সম্পৰ্কে আলোচনা কৰা। ১০

★★★